অধ্যায় ৯ ঃ ক্ষুদ্র আৰু কুটীৰ উদ্যোগ আৰু ঔদ্যোগিক ৰুগ্নতা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ক্ষুদ্র উদ্যোগৰ সংজ্ঞা আৰু সংশ্লিষ্ট পৰিভাষা

৯.৪ ভাৰতীয় অর্থনীতিত ক্ষুদ্র উদ্যোগৰ ভূমিকা

৯.৫ ক্ষুদ্র উদ্যোগ সম্পর্কে চৰকাৰী নীতি

৯.৬ ভাৰতত ক্ষুদ্র উদ্যোগৰ সমস্যাৱলী আৰু তাৰ সমাধানমুখী পদক্ষেপ

- ৯.৬.১ ক্ষুদ্র উদ্যোগৰ সমস্যাৱলী
- ৯.৬.২ প্রতিকাৰমূলক ব্যৱস্থা

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষুদ্র আৰু তেনে অন্য উদ্যোগৰ সংজ্ঞাৰ স্পষ্ট জ্ঞান লাভ কৰিব,
- ভাৰতীয় অর্থনীতিত ক্ষুদ্র উদ্যোগৰ ভূমিকাৰ আলোচনা কৰিব পাৰিব,
- ক্ষুদ্র উদ্যোগবোৰৰ সমস্যাবোৰৰ আভাস পাব আৰু তাৰ প্রতিকাৰৰ বাবে চৰকাৰে লোৱা বিভিন্ন নীতিৰ বিষয়ে আলচ কৰিব পাৰিব।

৯.২ পৰিচয়

দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ (GDP) এক বিশাল অৱদান যোগাই আহিছে ভাৰতৰ ক্ষুদ্র উদ্যোগ খণ্ডই। এই পৰম্পৰাগত খণ্ডটোৱে ইয়াৰ বৈচিত্রময় উৎপাদন খনেৰে বৃদ্ধিৰ প্রচুৰ সম্ভাৱনা বহন কৰিছে। মুঠ শিল্পজাত সামগ্রীৰ চল্লিশ শতাংশ আৰু মুঠ ৰপ্তানিৰ প্রায় এক তৃতীয়াংশ অধিকাৰ কৰি থকা ভাৰতৰ ক্ষুদ্র উদ্যোগ খণ্ডই নতুন সহস্রব্দত আর্থিক বৃদ্ধিৰ অন্যতম চালিকা শক্তিৰ ভূমিকাত অৱতীর্ণ হৈছে। ভাৰতে, ক্ষুদ্র উদ্যোগৰ বিভিন্ন প্রকাৰ সম্বন্ধে আৰু ভাৰতীয় অর্থনীতিত সিবিলাকৰ ভূমিকা সম্পর্কে এই অধ্যায়টোৱে আপোনাক পৰিচয় কৰি দিব। এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি ক্ষুদ্র উদ্যোগৰ প্রসাৰতাৰ বাবে চৰকাৰে লোৱা কার্যসূচীবোৰৰ বিষয়ে জনাৰ লগতে ক্ষুদ্র উদ্যোগৰ সমস্যাৱলীৰ বিষয়ে কিছু উপলব্ধি কৰিব পাৰিব। ক্ষুদ্র উদ্যোগৰ

ৰুগ্নতাৰ সমস্যাটো বিশেষভাৱে কোৱা হৈছে। ক্ষুদ্র উদ্যোগৰ ঔদ্যোগিক ৰুগ্নতাৰ গভীৰতা, তাৰ বিভিন্ন কাৰণ, পৰিণাম আৰু সমস্যাটোৰ সমাধানৰ বাবে অনুসৃত কিছুমান পদক্ষেপৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে।

৯.৩ ক্ষুদ্র উদ্যোগৰ সংজ্ঞা আৰু সংশ্লিষ্ট পৰিভাষা

সময়ৰ লগে লগে ক্ষুদ্র উদ্যোগৰ সংজ্ঞা সলনি হৈছে। আগেয়ে ক্ষুদ্র উদ্যোগ প্রতিষ্ঠানবোৰক দুটা শ্রেণীত বিভক্ত কৰা হৈছিল ঃ পঞ্চাশতকৈ কম কর্মচাৰীক নিয়োগ কৰা প্রতিষ্ঠান আৰু পঞ্চাশতকৈ অধিক আৰু এশতকৈ কম কর্মচাৰী নিয়োগ কৰা প্রতিষ্ঠান। অৱশ্যে বৃহৎ আৰু মজলীয়া উদ্যোগৰ পৰা ক্ষুদ্র উদ্যোগক পৃথক কৰা প্রাথমিক মাপকাঠি হিচাপে ধৰা হয়, কাৰখানা, যন্ত্রপাতি আৰু ভৱনত বিনিয়োগ কৰা মূলধনী সম্পদক। এটা উদ্যোগ গোট ক্ষুদ্র উদ্যোগ হিচাপে বিবেচিত হ'বলৈ হ'লে ভাৰত চৰকাৰে নির্দিষ্ট কৰি দিয়া পৰিমাণৰ মূলধন ইয়াত বিনিয়োজিত হ'ব লাগিব।

১৯৯৯ চনৰ ২১ ডিচেম্বৰৰ পৰা কার্যকৰী হোৱা শেহতীয়া সংজ্ঞা মতে ক্ষুদ্র উদ্যোগে নিম্নোক্ত চর্তবোৰ পুৰণ কৰিব লাগেঃ

মালিকী স্বত্বত বা ভাড়াত বা চুক্তিত লোৱা কাৰখানা আৰু যন্ত্রপাতিৰ দৰে স্থায়ী সম্পদৰ বিনিয়োগৰ পৰিমাণ দহ মিলিয়ন অর্থাৎ এক কোটি টকাতকৈ অধিক হ'ব নালাগিব। (১৯৬০ চনৰ পৰা নিযুক্ত শ্রমিকৰ সংখ্যাৰ উর্দ্ধসীমা শিথিল কৰা হৈছে।) অক্টোৱৰ ২০০৬ ৰ পৰা ক্ষুদ্র উদ্যোগবোৰত বিনিয়োগৰ পৰিমাণ ২৫ লাখৰ পৰা ৫ কৌটি টকালৈকে বৃদ্ধি কৰা হৈছে।

ক্ষুদ্র উদ্যোগ হিচাপে তেনে উদ্যোগহে বিবেচিত হয় যি অন্য কোনো উদ্যোগ গোটৰ আনুসংগিক অথবা মালিকানাধীন বা নিয়ন্ত্রিত গোট নহয়। খাদী আৰু হস্ততাঁত, ৰেচম, হস্তশিল্প, গ্রামোদ্যোগ কাঁহ-পিতল আৰু আঁহ শিল্প ভাৰতৰ কেইটামান উল্লেখযোগ্য পৰম্পৰাগত ক্ষুদ্র উদ্যোগ। ক্ষুদ্র শিল্পক সংজ্ঞাবদ্ধ কৰাৰ পিছত এতিয়া কেইবিধমান একেধৰণৰ উদ্যোগৰ বিষয়ে আলোচনা কৰা হওক ঃ

- **অতি ক্ষুদ্র প্রতিষ্ঠান ঃ** অতি ক্ষুদ্র উদ্যোগৰ বেলিকা স্থান নির্বিশেষে যন্ত্রপাতি সা-সৰঞ্জামৰ মূল্য হ'ব লাগে ২.৫ মিলিয়ন বা ২৫ লাখ টকা।
- **কুটীৰ শিল্প ঃ** পৰিয়ালকেন্দ্রিক উৎপাদন ব্যৱস্থাক বুজাবলৈ ওঠৰ আৰু ঊনৈশ শতিকাত কুটীৰ শিল্প আখ্যাটো ব্যৱহাৰ কৰা হৈছিল। পৰিৱর্তিত প্রেক্ষাপটত কুটীৰ শিল্প বুলিলে বুজা হয় কাৰখানাৰ পৰিৱর্তে কোনো ব্যক্তিৰ বাসগৃহত সম্পন্ন হোৱা উৎপাদন ব্যৱস্থাক, য'ত সা-সৰঞ্জামবোৰ ব্যক্তিগত মালিকানাধীন হয়। কুটীৰ আৰু ক্ষুদ্র উদ্যোগ ফেক্টৰী আইনৰ অধীনত পঞ্জীকৃত হোৱাৰ প্রয়োজন নাই। কুটীৰ আৰু ক্ষুদ্র উদ্যোগক পৃথক কৰাৰ বাবে সর্বজন স্বীকৃত কোনো ৰেখা নাস। পূর্বে বিদ্যুৎ ব্যৱহাৰ কৰা-নকৰাৰ ভিত্তিত দুয়োটাকে পৃথক কৰা হৈছিল যদিও বর্তমান সময়ত দুর্গম গ্রামাঞ্চল পর্যন্ত বিদ্যুৎ সুলভ হৈ পৰাৰ ফলত

এই পার্থক্য ৰেখা অস্পষ্ট হৈ পৰিছে। দুয়োবিধ উদ্যোগৰ মাজৰ অন্য এক পার্থক্য ৰেখা হৈছে নিয়াজিত শ্রমিকৰ সংখ্যা। কিন্তু কার্যত ঃ ইয়াৰ উপযোগিতা একেবাৰে কম। এই ক্ষেত্রত ব্যৱহৃত তৃতীয়টো মানদণ্ড হৈছে মালিকী স্বত্বৰ ধৰণ ঃ যদি ক্ষুদ্র উদ্যোগটোৰ গৰাকী শ্রমিকজন নিজে, তেনেহ'লে সি হ'ব কুটীৰ শিল্প, আৰু উদ্যোগ গোটটোৰ মালিকানা সমবায় সমিতিৰ হাতত থাকিলে তাক ক্ষুদ্র উদ্যোগ হিচাপে ধৰা যাব।

- **মজলীয়া প্রতিষ্ঠান ঃ** ন্যূনতম পাঁচৰ পৰা সর্বাধিক হ কোটি টকা যন্ত্র আৰু কাৰখানাত বিনিয়োগ হোৱা উদ্যোগ গোটবোৰ মজলীয়া আকাৰৰ ভিতৰত পৰে।

অতি ক্ষুদ্র (মাইক্র'), ক্ষুদ্র আৰু মজলীয়া উদ্যোগ প্রতিষ্ঠান (MSME)বোৰক সামগ্রিকভাৱে আকৌ দুটা শ্রেণীত বিভক্ত কৰা হৈছে ঃ

উৎপাদন প্রতিষ্ঠান ঃ যিকোনোধৰণৰ ঔদ্যোগিক সামগ্রী প্রস্তুত বা উৎপাদন কৰা প্রতিষ্ঠান ইয়াৰ অন্তর্গত। যন্ত্র আৰু কাৰখানাত ন্যূনতম ২৫ লাখ টকাৰ পৰা সর্বাধিক পাঁচ কোটি টকা পর্যন্ত বিনিয়োগ কৰা প্রতিষ্ঠানক ক্ষুদ্র উদ্যোগ প্রতিষ্ঠান হিচাপে ধৰা হয়।

উত্তৰ-পূর্বাঞ্চলৰ সংগঠিত উদ্যোগৰ ভিতৰত চাহ, পেট্র'লিয়াম, কাগজ, বোকামাটি, প্লাইউড, কয়লা, মৰাপাট, চেনি, সাৰ উদ্যোগ আদি প্রধান।

সেৱা প্রদানকাৰী প্রতিষ্ঠান ঃ এনে প্রতিষ্ঠানবিলাকে বিভিন্ন প্রকাৰৰ সেৱা আগবঢ়ায় আৰু সা-সৰঞ্জামত বিনিয়োগৰ পৰিমাণৰ দ্বাৰা সংজ্ঞা নির্ধাৰণ কৰা হয়। দহ লাখতকৈ কম টকা বিনিয়োগ কৰা প্রতিষ্ঠানক অতি ক্ষুদ্র সেৱা প্রতিষ্ঠান হিচাপে গণ্য কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) শেহতীয়া নিয়ম মতে পঞ্চাশজনতকৈ কম শ্রমিক নিয়োগ কৰা উদ্যোগক ক্ষুদ্র উদ্যোগ গোটৰূপে ধৰা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) কুটীৰ উদ্যোগৰ পঞ্জীয়ন কৰা বাধ্যতামূলক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ ক্ষুদ্র উদ্যোগ গোটৰ সংজ্ঞা আগবঢ়াওক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৪ ভাৰতীয় অর্থনীতিত ক্ষুদ্র উদ্যোগৰ ভূমিকা

সমগ্র দেশতে ক্ষুদ্র উদ্যোগ অৱস্থিত, কিন্তু গ্রাম্যাঞ্চলত ইয়াৰ প্রাধান্য আছে। উৎপাদন

খণ্ডত ক্ষুদ্র উদ্যোগৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে— কেৱল এনেকৈ কোৱাটো একেবাৰে যথেটে নহয়। বিশ্বৰ উদ্যোগ আৰু সেৱা প্রতিষ্ঠানবোৰৰ বৃহৎ অংশটোৱেই হ'ল ক্ষুদ্র আৰু মজলীয়া গোট। সম্প্রতি ক্ষুদ্র আৰু মজলীয়া গোট (চমুকৈ MSME)বোৰে আধুনিক প্রযুক্তি আয়ত্ব কৰিছে, গুণগত মান আৰু প্রতিযোগিতাৰ গৃহীত মানদণ্ডবোৰ পুৰণ কৰিছে আৰু ঔদ্যোগিক অর্থনীতিৰ বাকী অংশৰ তুলনাত অধিক দ্রুতগতিত ই সম্প্রসাৰিত হৈছে। ভাৰতীয় অর্থনীতিলৈ ইয়াৰ অৱদান থোৰতে এনেধৰণৰ—

- ২০০৭ ৰ ৩১ মার্চলৈ কৰা সমীক্ষা অনুসৰি ভাৰতত ক্ষুদ্র উদ্যোগ গোটৰ সংখ্যা ১২৮.৪৪ লাখ, মুঠ ঔদ্যোগিক উৎপাদনৰ প্রায় ৩৯ শতাংশ ইয়াৰ পৰা আহে।
- ২০০১-০২ৰ পৰা ২০০৬-০৭ৰ ভিতৰত এই খণ্ডত সত্তৰ লাখ নতুন নিযুক্তি হৈছে আৰু ইয়াত সর্বমুঠ নিয়োজিত শ্রমিকৰ সংখ্যা হৈছেগৈ আনুমানিক ৩১.৩ মিলিয়ন বা ৩ কোটি ১৩ লাখ।
- ২০০০-০১ৰ ১৫.২৮ বিলিয়ন ডলাৰৰ পৰা বাঢ়ি ২০০৬-০৭ চনত এই খণ্ডৰ পৰা হোৱা ৰপ্তানিৰ মূল্য হৈছেগৈ ৩৩.৯৮ বিলিয়ন ডলাৰ— দেশৰ সর্বমুঠ ৰপ্তানিৰ ই এক তৃতীয়াংশ।
- এই খৰডত প্রায় ছহেজাৰ বিধ সামগ্রী উৎপাদন হয়।
- ২১,৪০০ গোট ISO ৯০০০/১৪০০১ স্বীকৃতি প্রাপ্ত।

গ্রাম্য উন্নয়নৰ কার্যসূচীবোৰত ক্ষুদ্র উদ্যোগে মূল ভূমিকা লৈ আহিছে। কেইবাবিধ হস্তশিল্পৰ ব্যৱস্থাৰ বৃহৎ উদ্যোগজাত সামগ্রীয়ে সীমিত কৰি পেলাইছে। ভূমিৰ ওপৰত বর্ধিত জনসংখ্যাৰ হেঁচা কমাব পৰাকৈ গ্রাম্য খণ্ডৰ বাহিৰত উন্নয়ন যথেষ্ট ক্ষীপ্র হোৱা নাই। সেয়েহে কৃষিৰ উৎপাদন বৃদ্ধিৰ লেখিয়াকৈ গ্রামোদ্যোগৰ বিকাশৰ প্রশ্নতো ৰাষ্ট্রই পদক্ষেপ লোৱা আৱশ্যক। প্রকৃততে দুয়োটাৰে ওতঃপ্রোত সম্পর্ক আছে, কাৰণ কৃষিৰ উৎপাদন বৃদ্ধিৰ পূর্ব চর্ত হ'ল— উপলব্ধ মানৱ শক্তিৰ পৰিপূর্ণ ব্যৱহাৰ আৰু অতিৰিক্ত শ্রমিকক অন্য বৃত্তিৰ বাবে মুকলি কৰি দিয়া। স্বৰাজোত্তৰ কালছোৱাত ভাৰত চৰকাৰে বিশেষভাৱে এই খণ্ডৰ উন্নতিৰ বাবে যত্ন কৰিছে আৰু নিম্নোক্ত লক্ষ্য নির্ধাৰণ কৰিছে—

- নিযুক্তিৰ এখন প্রধান ক্ষেত্র হিচাপে ইয়াক বিকশিত কৰা,
- বিকেন্দ্রীভূত ঔদ্যোগিক প্রসাৰক উৎসাহিত কৰা,
- আয়ৰ সম বিতৰণ নিশ্চিত কৰা,
- মূলধনী বিনিয়োগ আৰু ঔদ্যোগিক দক্ষতা বৃদ্ধি কৰা।

নিম্নোক্ত কাৰণবোৰৰ বাবে এই লক্ষ্যবোৰত উপনীত হোৱাত ক্ষুদ্র উদ্যোগ প্রতিষ্ঠানবিলাক সহায়ক হয়।

- **নিযুক্তি ঃ** ক্ষুদ্র উদ্যোগে শ্রম-নিবিড় কৌশল অৱলম্বন কৰে বাবে মূলধনী একক অনুপাতে বৃহৎ সংক্যক নিযুক্তিৰ সুযোগ সৃষ্টি কৰে। বৃহৎ উদ্যোগত নিয়োজন প্রাপ্ত প্রতি এজন শ্রমিকৰ বিপৰীতে ক্ষুদ্র আৰু কুটীৰ উদ্যোগ খণ্ডত তিনিজনকৈ শ্রমিক নিযুক্ত হৈ আছে। ইতিমধ্যে কৈ অহাৰ দৰে, কৃষিখণ্ডৰ পিছতে ক্ষুদ্র ব্যৱসায় খণ্ড হৈছে ভাৰতৰ জনসাধাৰণ, ঘাইকৈ

শিক্ষিত আৰু বৃত্তিধাৰী লোকৰ মাজত সৰ্বাধিক জনপ্ৰিয় জীৱিকা।

- **ভাৰসাম্যমূলক আঞ্চলিক বিকাশ ঃ** ক্ষুদ্ৰ উদ্যোগে বিকেন্দ্ৰীকৃত উন্নয়নৰ আৰু শিল্পায়নৰ ক্ষেত্ৰত থকা আঞ্চলিক বৈষম্য দূৰ কৰাত সহায় কৰে। তদুপৰি গ্ৰামাঞ্চলত নিযুক্তি বৃদ্ধি কৰি চহৰলৈ যোৱা প্ৰব্ৰজন আৰু জনশ্ৰুতি ৰোধতো ই সহায়ক। গ্ৰাম্য পুনৰনিৰ্মাণ আৰু উন্নয়নত ক্ষুদ্ৰ প্ৰতিষ্ঠান বিলাক উপযুক্ত মাধ্যম হ'ব পাৰে।
- **পুঁজিৰ সমুচিত সদ্ব্যৱহাৰ ঃ** ক্ষুদ্ৰ উদ্যোগত উৎপাদিত সামগ্ৰীৰ প্ৰতি এককৰ বিপৰীতে কম মূলধনৰ আৱশ্যক হয় বাবে ক্ষুদ্ৰ বিনিয়োগেৰে অধিক উৎপাদন লাভ কৰিব পাৰি। বহুৰেকীয়া ঔদ্যোগিক সমীক্ষা মতে ক্ষুদ্ৰ উষদ্যাগত প্ৰতিজন শ্ৰমিকৰ বিপৰীতে স্থিৰ পুঁজিৰ পৰিমাণ ৩,৭০৬ টকা; বৃহৎ উদ্যোগত ইয়াৰ পৰিমাণ ২৭,৭৫৭ টকা। পুঁজি গঠনৰ নিম্ন হাৰ বৰ্তি থকা ভাৰতৰ দৰে দেশত ক্ষুদ্ৰ উদ্যোগ অতি উপযোগী কাৰণ ইয়াৰ কাৰ্যক্ষম হৈ উঠাৰ সময়কালো তুলনামূলকভাৱে কম।
- **স্থানীয় সম্পদৰ ব্যৱহাৰ ঃ** পৰিয়ালকেন্দ্ৰিক দক্ষতা আৰু থলুৱা সম্পদৰ সমাবেশ ঘটোৱা আৰু কাৰ্যকৰী কৰাত ক্ষুদ্ৰ উদ্যোগে ভূমিকা লয়, অন্যতা এনে দক্ষতা আৰু সম্পদ অব্যৱহৃত বা অনাবিস্কৃত হৈ ৰয়। ক্ষুদ্ৰ ব্যৱসায়ে ক্ষুদ্ৰ উদ্যোগী সৃষ্টি কৰে আৰু থলুৱা প্ৰতিভাক উদগনি যোগায়। ক্ষুদ্ৰ উদ্যোগৰ বৃদ্ধিয়ে ঘাইকৈ গ্ৰাম্যাঞ্চলৰ সুপ্ত অৱস্থাত থকা সম্পদ; উদ্যোক্তাৰ দক্ষতা, ক্ষুদ্ৰ সঞ্চয় আদিৰ বিকাশত সাহায্য কৰে।
- **বৈদেশিক মুদ্ৰা আহৰণ ঃ** ক্ষুদ্ৰ উদ্যোগে দেশৰ বিনিময় ব্যৱস্থাৰ ওপৰত পৰা চাপ দুইধৰণে হ্ৰাস কৰে। প্ৰথমে, অত্যাধুনিক যন্ত্ৰপাতি আমদানি কৰাৰ প্ৰয়োজন ইয়াত নাই ; দ্বিতীয়তে, সামগ্ৰী ৰপ্তানিৰ দ্বাৰা মূল্যবান বৈদেশিক মুদ্ৰা আহৰণত ই সহায়ক। ক্ষুদ্ৰ উদ্যোগ খণ্ডই দেশৰ অ-পৰম্পৰাগত সামগ্ৰী ৰপ্তানিৰ ৪০ শতাংশ আৰু মুঠ ৰপ্তানিৰ (২০০৫-০৬) ৩৩ শতাংশ পুৰণ কৰে।
- **সমতাপূৰ্ণ সমাজ ঃ** এমুঠি লোকৰ হাতত অৰ্থনৈতিক ক্ষমতা কেন্দ্ৰীভূত হোৱাৰ প্ৰক্ৰিয়াক ক্ষুদ্ৰ উদ্যোগে ৰোধ কৰে। ৰাষ্ট্ৰীয় আয় আৰু সম্পদৰ অধিক সমতাপূৰ্ণ বিতৰণত ই সহায়ক কৰে, আৰু এনেদৰে উপভোক্তাৰ শোষণ আৰু একচেতিয়া অধিকাৰৰ বিৰুদ্ধে ক্ষুদ্ৰ উদ্যোগৰ বিকাশে কাম কৰে।
- **বৃহৎ উদ্যোগৰ পৰিপোষক ঃ** ক্ষুদ্ৰ উদ্যোগ হ'ল বৃহৎ উদ্যোগৰ পৰিপুৰক। বৃহৎ উদ্যোগ খণ্ডত ব্যৱহৃত বিভিন্ন ধৰণৰ যন্ত্ৰাংশ, সা-সৰঞ্জাম, আদিক ক্ষুদ্ৰ উদ্যোগে উৎপাদন কৰে।
- **উত্তৰ-উদাৰীকৰণ কালত ক্ষুদ্ৰ উদ্যোগৰ বৃদ্ধিৰ সম্ভাৱনা ঃ** আৰ্থিক উদাৰীকৰণৰ দ্বাৰা সৃষ্ট সাম্প্ৰতিক পৰিস্থিতিত ক্ষুদ্ৰ উদ্যোগৰ বিপুল সম্ভাৱনা উন্মোচিত হৈছে। চৰকাৰেও ক্ষুদ্ৰ উদ্যোগৰ সুবিধাৰ্থে অগ্ৰাধিকাৰমূলক ঋণ প্ৰদান, বিনিয়োগৰ উৰ্দসীমা আদি নীতি ৰূপায়ন কৰিছে। ১৯৯৫ চনত বিশ্বৰ বাণিজ্য সংগঠনৰ স্থাপনাই ক্ষুদ্ৰ উদ্যোগৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বান সৃষ্টি কৰিলে— এই কথা সঁচা। কিন্তু পৰৱৰ্তী সময়ত ইয়ো প্ৰমাণিত হৈছে যে ক্ষুদ্ৰ উদ্যোগ খণ্ডই যদিহে প্ৰযুক্তিৰ উৎকৰ্ষ ঘটাই, ব্যৱস্থাপনা ৰীতি উন্নত কৰে, উৎপাদনশীলতা বঢ়োৱাৰ

বাবে ফেক্টৰীবোৰৰ নতুন গঢ় দিয়ে আৰু মান বিশিষ্ট সামগ্রী প্রস্তুত কৰে। তেনেহ'লে বিশ্ব বাণিজ্য সংগঠনৰ আমোলতো ইবিলাক প্রতিযোগিতাক্ষম গোট বহ উঠিব পাৰে। কম্পিউটাৰ-দূৰসংযোগৰ অগ্রগতি, ই-বাণিজ্যৰ জনপ্রিয়তা, বিশ্ব বাণিজ্য সংগঠনৰ বাবে উন্মুক্ত হোৱা বজাৰ, একত্রিকৰণ আৰু অধিগ্রহণ, উন্নত আন্তঃগাঁথনি, ব্যৱসায়ৰ প্রান্তীয় ক্ষেত্রবোৰত প্রচলন হোৱা আউটছ'টিং প্রথা আদিয়ে ক্ষুদ্র উদ্যোগৰ বৃদ্ধিত অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) ভাৰতৰ কেইখনমান বিশেষ ৰাজ্যতহে ক্ষুদ্র উদ্যোগ গোট আছে। (শুদ্ধ/অশুদ্ধ)

(খ) ক্ষুদ্র উদ্যোগত সাধাৰণতে শ্রম নিবিড় উৎপাদন কৌশল ব্যৱহৃত হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৪ ঃ ভাৰতত ক্ষুদ্র উদ্যোগ খণ্ডক উৎসাহ যোগোৱাৰ প্রধান লক্ষ্যবোৰ কি কি? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৫ ক্ষুদ্র উদ্যোগ সম্পর্কে চৰকাৰী নীতি

ভাৰত চৰকাৰে ক্ষুদ্র উদ্যোগ খণ্ডক প্রতিযোগিতাক্ষম কৰিবলৈ নিম্নোক্ত পদক্ষেপবোৰ লৈছে ঃ

- প্রচলিত প্রাযুক্তিক সমলবোৰক অধিক শক্তিশালী কৰাৰ বাবে চৰকাৰে প্রাযুক্তিক উন্নয়নৰ সহায়ক কার্যসূচী প্রস্তুত কৰিছে ;
- শেহতীয়া তথ্য উপলব্ধ কৰাৰ বাবে মজলীয়া, ক্ষুদ্র আৰু অতি ক্ষুদ্র প্রতিষ্ঠান (MSME) মন্ত্রালয়, MSME কার্যালয়, উদ্যোগ সঞ্চালকালয়, আৰু জিলা উদ্যোগ কেন্দ্রবোৰৰ স্বয়ংক্রিয়কৰণৰ আঁচনি লোৱা হৈছে। এই প্রক্রিয়াক আগবঢ়াই নিছে SIDO নলেন্দ প'ৰ্টেলে;
- ঋণৰ পর্যাপ্ত যোগান নিশ্চিত কৰিবলৈ এক কার্যসূচী গ্রহণ কৰা হৈছে, আন্তঃগাঁথনি উন্নয়ন আৰু উৎপাদিত সামগ্রীৰ বিপণনক প্রোৎসাহিত কৰিবলৈয়ো পদক্ষেপ লোৱা হৈছে। SME (ক্ষুদ্র আৰু মজলীয়া প্রতিষ্ঠান) খণ্ডৰ বাবে ভাৰত চৰকাৰে শেহতীয়াকৈ গ্রহণ কৰা নীতিগত সংস্কাৰ কিছুমান তলত উল্লেখ কৰা হ'ল ঃ
- অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া (Micro, Small and Medium) খণ্ডৰ প্রসাৰতা, বিকাশ আৰু প্রতিযোগিতামূলক ক্ষমতা বৃদ্ধিৰ লক্ষ্যত এক সামগ্রিক আইন হিচাপে ২০০৬ চনৰ

অক্টোবৰ মাহৰ পৰা বলৱৎ কৰা হৈছে 'অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ উন্নয়ন আইন, ২০০৬ (MSMED Act, 2006)। 'উদ্যোগ' ধাৰণাটো সলনি কৰি আইনগত 'প্রতিষ্ঠান' ধাৰণাটো গ্রহণ কৰা হৈছে। এই আইন অনুসৰি, ক্ষুদ্র উদ্যোগৰ পঞ্জীকৰণ প্রক্রিয়াটো বাদ দিয়া হৈছে। বর্তমান উদ্যোক্তাসকলে এখন ঘোষণা-পত্র (Memorandum) দাখিল কৰিব লাগে আৰু তাৰ জৰিয়তে স্বীকৃতিপ্রাপ্ত হয়।

- MSMED আইন, ২০০৬ৰ দ্বাৰা প্রতিষ্ঠানবিলাকৰ বিকাশত সহায়তা কৰা আৰু সিবিলাকৰ প্রতিযোগিতামূলক অর্হতা বৃদ্ধি কৰিব খোজা হৈছে। এই আইনে প্রথমবাৰৰ বাবে মজলীয়া প্রতিষ্ঠানক সংজ্ঞাবদ্ধ কৰিছে আৰু অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া —এই তিনিটা খলপ সংযোজিত কৰিবলৈ চেষ্টা কৰিছে।
- এই প্রতিষ্ঠানবিলাকৰ প্রতিযোগিতা সামর্থ্য বৃদ্ধি, বিকাশত আৰু উৎসাহিত কৰাৰ অর্থে বিশেষ ন্যাস স্থাপন কৰা হৈছে।

  সামগ্রী প্রস্তুতকৰণ উদ্যোগৰ বৃদ্ধিক অধিক জোৰদাৰ আৰু সুস্থিৰ কৰাৰ অর্থে 'National Manufacturing Comptitiveness Council' গঠন কৰা হৈছে। এই প্রতিষ্ঠানবিলাকৰ বাবে ই এটা নতুন উদগনিমূলক সাহায্য ব্যৱস্থা আৰু ইয়াৰ দ্বাৰা থূপ হিচাপে বিকাশত গুৰুত্ব আৰোপ কৰা হৈছে।
- MSME খণ্ডৰ ঋণ আৰু কার্যক্ষমতাৰ মান নিৰূপনৰ বাবে পৃষ্ঠপোষকতা আৰু বিত্তীয় সাহায্য দানৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ দ্বাৰা বেংকৰ ঋণ বৃদ্ধি আৰু সুচল কৰিব খোজা হৈছে।
- অসংগঠিত খণ্ডৰ প্রতিষ্ঠানৰ বাবে ৰাষ্ট্রীয় আয়োগ গঠন কৰা হৈছে যি এই খণ্ডৰ উৎপাদন-শীলতা বিকাশৰ তত্বাৱধায়ক আৰু নিৰীক্ষক সংস্থা হিচাপে কার্যনির্বাহ কৰিব আৰু ঘাইকৈ গ্রাম্যাঞ্চলত বৃহৎ পৰিমাণে নিযুক্তি সৃষ্টিত ই সহায়ক হ'ব।
- প্রবাসী বিনিয়োগকাৰীসকলৰ বাবে এই উদ্যোগ খণ্ড এক আকর্ষণীয় ক্ষেত্র হ'ব পাৰে। এই খণ্ডই ভাৰতীয় তথা বিশ্ব অর্থনীতিৰ এক গুৰুত্বপূর্ণ অংশীদাৰ হিচাপে নিজকে প্রমাণিত কৰিবলৈ সক্ষম হৈছে। বর্তমানৰ বহুসংখ্যক কর্প'ৰেট সংস্থা ক্ষুদ্র প্রতিষ্ঠানৰ পৰা উদ্ভৱ হৈছে— কাৰণ নতুন পৰিস্থিতিয়ে অনা সুযোগৰ মাজেৰে তেওঁলোকে ব্যৱসায় বৃদ্ধি কৰিবলৈ সমর্থ হৈছিল। ক্ষুদ্র উদ্যোগত প্রত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্রত কোনোধৰণৰ বাধা নিষেধ নাই, অৱশ্যে সংৰক্ষিত প্রায় ১১৪টা সামগ্রীৰ ক্ষেত্রত নিষেধাজ্ঞা আছে।
- ক্ষুদ্র ঔদ্যোগিক নীতি অনুসৰি ক্ষুদ্র উদ্যোগ বা প্রতিষ্ঠানত বিদেশী বিনিয়োগকাৰীকে ধৰি অন্য গোটে ২৪ শতাংশ পর্যন্ত সমাংশ (equity) ক্রয় কৰাৰ অনুমতি আছে। ক্ষুদ্র প্রতিষ্ঠানৰ স্বীকৃতি ত্যাগ কৰিবলৈ আগ্রহী গোটত ইয়াতকৈ অধিক সমাংশ ক্রয় কৰাত বিদেশী বিনিয়োগকাৰীক অনুমতি দিয়া হৈছে। অৱশ্যে ক্ষুদ্র প্রতিষ্ঠানত যদি বিদেশী সমাংশ ২৪ শতাংশৰ অধিক হয়, তেনেহ'লে তাৰ বাবে ৫০ শতাংশ উৎপাদন ৰপ্তানি কৰাটো বাধ্যতামূলক কৰি দিয়া অনুজ্ঞা-পত্র লাভ কৰিব লাগিব।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৫ ঃশুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) মজলীয়া, ক্ষুদ্র আৰু অতি ক্ষুদ্র প্রতিষ্ঠান বিকাশ আইন (MSMED Act) ২০০৬ চনত বলৱৎ হয়। (শুদ্ধ/অশুদ্ধ)

(খ) NCEUS প্রতিষ্ঠা কৰা হৈছে অনানুষ্ঠানিক খণ্ডৰ ওপৰত অগ্রাধিকাৰ দিয়াৰ বাবে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৬ ঃ উদ্যোগসমূহে পঞ্জীয়ন কৰাটো বাধ্যতামূলকনে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৬ ভাৰতত ক্ষুদ্র উদ্যোগৰ সমস্যাৱলী আৰু তাৰ সমাধানমুখী পদক্ষেপ

৯.৬.১ ক্ষুদ্র উদ্যোগৰ সমস্যাৱলী

ক্ষুদ্র উদ্যোগে সন্মুখীন হোৱা সমস্যাৰাজি এই খণ্ডত থকা প্রধান সমস্যাকেইটা এনেদৰে শ্রেণীবদ্ধ কৰিব পাৰি ঃ উৎপাদনৰ সমস্যা, যথা সময়ত আৰু প্রয়োজন মতে ঋণ লাভৰ ব্যৱস্থা নথকা, উন্নত প্রযুক্তিৰ সুযোগ নথকা, আন্তঃগাঁথনিগত বাধা, বিপণনৰ অসুবিধা আৰু আইন-কানুনৰ বোজা। এই সমস্যাবোৰৰ বিশদ আলোচনা তলত আগবঢ়োৱা হ'ল ঃ

- উৎপাদনৰ সমস্যাবিলাকৰ ভিতৰত প্রধান হৈছে প্রকৃত বজাৰ দৰত কেঁচামাল উপলব্ধ নোহোৱা, উৎপাদন সামর্থক পূৰাকৈ ব্যৱহাৰ কৰিব নোৱৰা আৰু সামগ্রী মজুত কৰি ৰখাৰ ক্ষেত্রত সমস্যা। প্রায়ে দেখা যায় যে কেঁচামালৰ পর্যাপ্ত যোগানৰ অভাৱত ক্ষুদ্র উদ্যোগীয়ে আকাশলংঘী দামত সেইবোৰ ক্রয় কৰিবলৈ বাধ্য হয়।
- বিপণন বা বিক্রী কৰাৰ ক্ষেত্রত সমস্যা উদ্ভৱ হোৱাৰ কাৰণবোৰ হৈছে মাত্র এবিধ সামগ্রীৰ ব্যৱসায় কৰা, মৰণপণ প্রতিযোগিতা, দাম নির্ধাৰণত ব্যয়কেন্দ্রিক পদ্ধতিৰ অৱলম্বন, বিজ্ঞাপনৰ অভাৱ, উৎপাদিত সামগ্রীৰ 'ব্রেণ্ড' পৰিচয় নথকা আদি।
- বিত্তীয় সমস্যাবোৰৰ ভিতৰত অন্যতম হৈছে বিনিয়োগৰ ক্ষেত্রত শংকা, বেংকৰ পৰা ঋণ প্রাপ্তি আৰু পৰিশোধ, দৈনন্দিন ব্যয়ৰ জোৰা মাৰিব নোৱাৰা ইত্যাদি। বহু সময়ত ক্ষুদ্র উদ্যোগীসকলে তাৎক্ষণিক বিত্তীয় চাহিদা পুৰণ কৰিবলৈ অনা-প্রতিষ্ঠানিক উৎসৰ পৰা অতি উচ্চ হাৰৰ সুদত টকা ধাৰলৈ ল'বলগীয়া হয়।

- শ্রমিক সমস্যাৰ ভিতৰত উল্লেখনীয় হ'ল শ্রমিকৰ বৰ্দ্ধিত দাবী, অনুপস্থিতি, দক্ষ শ্রমিকৰ অভাৱ, শ্রমিক পৰিবহণৰ অসুবিধা আদি।
- আন্তঃগাঁথনিৰ অসুবিধাবোৰেও জ্বলা জুইত ঘিঁউ ঢলাৰ লেখিয়াকৈ সমস্যা বঢ়াইছে। যথোপযুক্ত আন্তঃগাঁথনি নাথাকিলে সকলো প্রচেষ্টা ফুটুকাৰ ফেনত পৰিণত হয়
- অধিকাংশ ক্ষুদ্র উদ্যোগ গোটেআওপুৰণিপ্রযুক্তিকে ব্যৱহাৰ কৰি আছে আৰু যন্ত্রপাতি, সৰঞ্জাম আদিৰ অৱস্থাও তথৈবচ। প্রযুক্তিৰ উন্নয়ন আৰু অর্থনীতিৰ ঊর্ধ্বক্রমত উপনীত হোৱাৰ সমস্যা এই খণ্ডৰ অন্যতম প্রত্যাহ্বান। বিত্তৰ নাটনি, কম খৰচী থলুৱা প্রযুক্তি উদ্ভাৱনৰ বাবে গৱেষণা আৰু উন্নয়নৰ প্রচেষ্টাৰ নাটনি, উপযুক্ত প্রযুক্তিৰ বজাৰ-সম্পর্কীয় তথ্যৰ অভাৱ আদিয়ে এই উদ্যোগ খণ্ডক বাধা গ্রস্ত কৰি ৰাখিছে।

৯.৬.২ প্রতিকাৰমূলক ব্যৱস্থা

এই খণ্ডৰ বৃদ্ধিৰ প্রক্রিয়াক সবল কৰিবলৈ ভাৰত চৰকাৰে গ্রহণ কৰা উদ্যেগবোৰৰ ভিতৰত অন্যতম হৈছে—

- উপযুক্ত দৰত কেঁচামালৰ যোগান অব্যাহত ৰখাৰ বাবে কার্যকৰী চৰকাৰী নীতি লাগিবই। উদাহৰণস্বৰূপে, চৰকাৰে কেঁচা সামগ্রী বা উপকৰণৰ সর্বোচ্চ আৰু নূনতম নিৰিখ বান্ধি দিব পাৰে আৰু বজাৰৰ দৰ উঠা-নমাৰ বিষয়ে ক্ষুদ্র উদ্যোগীসমূহক অৱগত কৰিব পাৰে।
- প্রযুক্তিগত বিকাশ, গুণগত মান উন্নয়ন আৰু উন্নতৰ পাৰিপার্শ্বিক ব্যৱস্থাপনাৰ ক্ষেত্রত সহায় কৰাৰ বাবে মজলীয়া আৰু ক্ষুদ্র প্রতিষ্ঠান খণ্ডত ISO 900/14001 প্রমাণ পত্রৰ মাচুল পৰিশোদ আঁচনি চৰকাৰে ৰূপায়ন কৰিছে।
- ৰাষ্ট্রীয় উৎপাদনী প্রতিযোগিতা কর্মসূচী (NMCP) আৰম্ভ কৰি চৰকাৰে এই খণ্ডত প্রতিযোগিতাৰ স্তৰ উন্নত কৰাৰ প্রয়াস চলাইছে। এই আঁচনিৰ মূল লক্ষ্য হৈছে প্রযুক্তি/ মান উন্নয়নৰ ক্ষেত্রত থকা বাধাবোৰ আঁতৰ কৰা; আৰু ইয়াৰ বাবে ব্যক্তিগত-ৰাজহুৱা অংশীদাৰী প্রথাত গুৰুত্ব প্রদান কৰা হৈছে।
- ক্ষুদ্র ঔদ্যোগিক বিকাশ বেংক (SIDBI)য়ে ৰাষ্ট্রসংঘৰ 'এছিয়া পেচিফিক চেণ্টাৰ ফৰ ট্রান্সফাৰ অৱ টেকনলজী' (UNAPCTT)ৰ সহযোগত প্রতিষ্ঠা কৰিছে 'টেকনলজী ব্যুৰ' ফৰ স্মল এণ্টাৰপ্রাইজেচ' (TBSE) নামৰ সংস্থা যাৰ দ্বাৰা মজলীয়া প্রতিষ্ঠান খণ্ডত প্রযুক্তি আৰু বিত্তৰ সু-সামঞ্জস্য সৃষ্টি কৰিব খোজা হৈছে। এই সংস্থাৰ ঘাই উদ্দেশ্যবোৰ হ'ল ঃ
  - ক্ষুদ্র-মজলীয়া খণ্ডত বজাৰমুখী প্রতিযোগিতা বৃদ্ধিৰ বাবে আৰু বহক্ষম বিকাশ নিশ্চিতকৰণৰ বাবে প্রযুক্তি হস্তান্তৰৰ ক্ষেত্রত পেছাদাৰী সেৱা প্রদান;
  - প্রযুক্তিৰ উৎস আৰু উপলব্ধ কৰাৰ উপায় সম্পর্কে তথ্য সৰবৰাহ;
  - আগ্রহী ব্যৱসায়িক অংশীদাৰ বাচনি কৰা আৰু বিত্তীয় সাহায্য তথা চুক্তিপত্রৰ খচৰা প্রস্তুতকৰণ, বিভিন্ন অনুমোদন আদায় আৰু প্রযুক্তি হস্তান্তৰৰ ব্যৱসায়িক

আঁচনি প্ৰস্তুত কৰা আদি বিষয়ত সংযুক্তিকৰণৰ দিশত সহায় কৰা

- বেংক আৰু অন্য वित्तীয় প্ৰতিষ্ঠানৰ জৰিয়তে বিত্ত যোগানৰ ব্যৱস্থা কৰা।

- ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ক্ষুদ্ৰ উদ্যোগ নিগম লিমিটেড (NSIC) ক্ষুদ্ৰ উদ্যোগৰ প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ লৈছে।
- ক্ষুদ্ৰ উদ্যোগ উন্নয়ন সংগঠন (SIDO) ই ক্ষুদ্ৰ উদ্যোগৰ প্ৰাযুক্তিক উন্নতকৰণৰ বাবে উন্নতমানৰ সৰঞ্জাম যোগান ধৰিবলৈ আৰু তাৰ প্ৰশিক্ষণ দিবলৈ দেশত দহটা সংঞ্জাম-কক্ষ (Tool-Room) আৰু প্ৰশিক্ষণ কেন্দ্ৰ আহবান কৰিছে।
- ২০০৪-০৫ত ক্ষুদ্ৰ উদ্যোগ খণ্ডত প্ৰয়োগ কৰা নীতিবোৰ ঃ ২০০৪ চনত অসংগঠিত/ অনানুষ্ঠানিক খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ ৰাষ্ট্ৰীয় আয়োগ এখন গঠন কৰা হয়; এই আয়োগৰ কাম হৈছে ঋণ যোগানৰ পৰিস্থিতি উন্নত কৰা, কেঁচা সামগ্ৰী সৰবৰাহ অক্ষুন্ন ৰখা; আন্তঃগাঁথনি বিকাশ, বজাৰৰ সুবিধা বৃদ্ধি, প্ৰযুক্তিৰ উন্নয়ন আৰু দক্ষতাৰ বিকাশ ঘটোৱাৰ বাবে সহায়ক পৰামৰ্শ আগবঢ়োৱা। আয়োগৰ অনুমোদনসমূহৰ আধাৰত গ্ৰহণ কৰা কেইটামান পদক্ষেপ তলত উল্লেখ কৰা হ'ল ঃ
  - ক্ষুদ্ৰ উদ্যোগৰ বাবে সংৰক্ষিত ৮৫ বিধ সামগ্ৰী ২০০৪ চনৰ অক্টোবৰ মাহত সংৰক্ষণ-মুক্ত কৰা হয়। এতিয়া সংৰক্ষিত সামগ্ৰীৰ সংখ্যা হ'ল ৬০৫টা;
  - প্ৰযুক্তি স্থানান্তৰ আৰু প্ৰতিযোগিতা বৃদ্ধিৰ সহায়ক হোৱাকৈ সাতবিধ ক্ৰীড়া সামগ্ৰী উৎপাদন কৰা ক্ষুদ্ৰ উদ্যোগৰ বাবে সেই বছৰতে যন্ত্ৰপাতিত বিনিয়োগৰ ঊৰ্ধ্বসীমা এক কোটিৰ পৰা পাঁচ কোটি টকালৈ বৃদ্ধি কৰা হয়;
  - ২০০৪ৰ এপ্ৰিলৰ পৰা ছিড্‌বিয়ে দহ হেজাৰ কোটি টকীয়া এছ-এম-ই ন্যাসৰ কাম-কাজ আৰম্ভ কৰিছে। ইয়াৰ ৮০ শতাংশ ঋণ ক্ষুদ্ৰ উদ্যোগলৈ ছিড্‌বিৰ প্ৰচলিত নিৰিখতকৈ (PLR) ২ শতাংশ কম সুদত আগবঢ়োৱা হয়।
  - ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ বাবে সমন্বিত ঋণৰ সীমা ৫০ লাখৰ পৰা এক কোটি টকালৈ বৃদ্ধিৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে সিদ্ধান্ত লয়।
  - ক্ষুদ্ৰ প্ৰতিষ্ঠানৰ বাবে এখন নতুন প্ৰসাৰ কাৰ্যসূচী সূত্ৰবদ্ধ কৰা হৈছে। ইয়াৰ জড়িয়তেও ঋণ, প্ৰযুক্তি, আন্তঃগাঁথনি, বিপণন আদি সুযোগ সুবিধা বৃদ্ধিৰ প্ৰয়াস কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

ক্ষুদ্ৰ উদ্যোগৰ এটা প্ৰধান সমস্যা হৈছে কেঁচা সামগ্ৰীৰ নাটনি।

(শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৮ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক)'টেকনলজী ব্যুৰ' ফৰ স্মল এণ্টাৰপ্রাইজেচ' যুটীয়াভাৱে স্থাপন কৰা হৈছে ছিড্‌বি আৰু .....ৰ দ্বাৰা।

প্রশ্ন ৯ ঃ ছিড' (SIDO)ই কি উদ্দেশ্যে 'টুল ৰুম ট্রেইনিং চেণ্টাৰ'সমূহ প্রতিষ্ঠা কৰিছে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সময়ৰ লগে লগে ক্ষুদ্র উদ্যোগৰ সংজ্ঞা সলনি হৈছে। আগেয়ে ক্ষুদ্র উদ্যোগ প্রতিষ্ঠানবোৰক দুটা ভাগত বিভক্ত কৰা হৈছিল ঃ পঞ্চাশতকৈ কম কর্মচাৰীক নিয়োগ কৰা প্রতিষ্ঠান আৰু পঞ্চাশতকৈ অধিক আৰু এশতকৈ কম কর্মচাৰী নিয়োগ কৰা প্রতিষ্ঠান।
- বিশ্বৰ উদ্যোগ আৰু সেৱা প্রতিষ্ঠানবোৰৰ বৃহৎ অংশটোৱেই হ'ল ক্ষুদ্র আৰু মজলীয়া উদ্যোগ গোট।
- কুটীৰ আৰু ক্ষুদ্র উদ্যোগৰ মাজৰ পার্থক্যটো খুব স্পষ্ট নহয়।
- ক্ষুদ্র উদ্যোগসমূহে দেশৰ ঔদ্যোকি তথা অর্থনৈতিক বিকাশত নির্ণায়ক ভূমিকা পালন কৰি আহিছে।
- ঔদ্যোগিক ৰুগ্নতাৰ বহুবোৰ কাৰক আছে। এই কাৰকসমূহক আমি প্রধানতঃ আভ্যন্তৰীণ আৰু বাহ্যিক হিচাপে শ্রেণীবিভাগ কৰিব পাৰো।



৯.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° প্রণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অর্থনীতি— ইয়াৰ পৰিৱর্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অর্থনীতি (উত্তৰ-পূর্বাঞ্চলৰ অর্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্রন্থ ঃ

1) Agrawal, A. N. (2019). Indian Economy: Developmental Problems and Policies. New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. (2016). Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.

3) Kapila, U. (2003). Indian Economy since Independence. New Delhi: Academic Foundation.

4) Misra, S.K. & Puri, V.K. (2018). Indian Economy. New Delhi: Himalya Publishing House.

৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ।

২ নং প্রশ্ন উত্তৰ ঃ ১৯৯৯ গৃহীত শেহতীয়া বিধি অনুসৰি যি উদ্যোগ গোটত কাৰখানা-যন্ত্রপাতি আদি যিহৰ মুলধনত (মালিকানা স্বত্ব, চুক্তি বা ভাড়া যি ৰূপতে নহওক) বিনিয়োগ এক কোটি টকাৰ কম হ'লে তাক ক্ষুদ্র উদ্যোগ ৰূপে ধৰা হয়।

৩ নং প্রশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৪ নং প্রশ্ন উত্তৰ ঃ ভাৰতত ক্ষুদ্র উদ্যোগৰ উন্নতি সাধনৰ প্রধান লক্ষ্যবোৰ হ'ল ঃ

- নিযুক্তিৰ প্রধান ক্ষেত্রৰূপে গঢ় দিয়া আৰু বিকেন্দ্রীভূত ঔদ্যোগিক সম্প্রসাৰণত উৎসাহ যোগোৱা;
- আয়ৰ সমতাপূর্ণ বণ্টন নিশ্চিত কৰা;
- পুঁজি বিনিয়োগ আৰু উদ্যোগী কৌশলক সচল ৰূপ নিয়া।

৫ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ(খ) শুদ্ধ

৬ নং প্রশ্ন উত্তৰ ঃ নহয়। ক্ষুদ্র উদ্যোগৰ পঞ্জীয়ন বর্তমান বাধ্যতামূলক নহয়। MSMED আইন, ২০০৬ প্রণয়ন আৰু বলবৎ কৰণৰ দ্বাৰা ক্ষুদ্র উদ্যোগৰ পঞ্জীয়নৰ নিয়ম ৰদ কৰা হৈছে। আজিকালি উদ্যোক্তাই উদ্যোক্তা চুক্তি এখন দাখিল কৰি এটা প্রাপ্তি ৰছিদ ল'ব লাগে।

৭ নং প্রশ্ন উত্তৰ ঃ শুদ্ধ

৮ নং প্রশ্ন উত্তৰ ঃ টেকনলজী ব্যুৰ' ফৰ স্মল এণ্টাৰপ্রাইজেচ (ছিডবি— SIDBI) আৰু ৰাষ্ট্র-সংঘৰ এছীয়া পেচিফিক চেণ্টাৰ ফৰ ট্রান্সফাৰ অৱ টেকনলজী (UN-APCTT)য়ে যুটীয়াভাৱে স্থাপন কৰিছে।

৯ নং প্রশ্ন উত্তৰ ঃ টুলৰুম এণ্ড ট্রেইনিং চেণ্টাৰ স্থাপন কৰে ক্ষুদ্র উদ্যোগ উন্নয়ন সংগঠনে। ইয়াৰ উদ্দেশ্য হ'ল ক্ষুদ্র উদ্যোগীসমূহক উন্নত প্রযুক্তি প্রাপ্তিত সহায় কৰা আৰু উৎকৃষ্ট সা-সৰঞ্জাম যোগান ধৰা।

৯.১০ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্রশ্ন ঃ ভাৰতীয় অর্থনীতিত ক্ষুদ্র উদ্যোগৰ ভূমিকা কি?

২ নং প্রশ্ন ঃ ক্ষুদ্র উদ্যোগৰ প্রসাৰতাৰ বাবে চৰকাৰে গ্রহণ কৰা পদক্ষেপবিলাকৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়াওক।

৩ নং প্ৰশ্ন ঃ ক্ষুদ্ৰ উদ্যোগে মুখামুখি হোৱা প্ৰধান সমস্যাবিলাকৰ আলোচনা আগবঢ়াওক।

৪ নং প্ৰশ্ন ঃ ক্ষুদ্ৰ উদ্যোগৰ সুবিধাৰ্থে ২০০৪-০৫ বৰ্ষত চৰকাৰে গ্ৰহণ কৰা ব্যৱহাৰ বিষয়ে এটা চমু টোকা লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনীতিত ক্ষুদ্ৰ উদ্যোগে পালন কৰা ভূমিকা আলোচনা কৰক। এই খণ্ডৰ প্ৰধান সমস্যাবোৰ কি কি? কেতবোৰ প্ৰতিকাৰমূলক ব্যৱস্থা আগবঢ়াওক।

*** ***** ***